# নন্দনিয়ান

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ঊনচত্বাৰিংশ সংখ্যা-২০১৯-২০ বৰ্ষ



সম্পাদিকা - জানমণি কুৰ্মী

নন্দনিয়ান
নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ঊনচত্বাৰিংশ সংখ্যা-২০১৯-২০ বৰ্ষ
সম্পাদিকা - জানমণি কুৰ্মী

# নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ কেইটিমান মুহূৰ্ত

















মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লিটুল বৰুৱা



মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত বুধিন দত্ত

# এই সংখ্যা "নন্দনিয়ান"ৰ সম্পাদনা সমিতি



ড° লিটুল বৰুৱা, অধ্যক্ষ
উপদেষ্টা



ড° গীতাঞ্জলী গগৈ
তত্ত্বাৱধায়ক



ড° গৌতম বৰা
তত্ত্বাৱধায়ক



ড° বৰ্ণালী শইকীয়া
শিক্ষক সদস্যা



ৰাজীৱ দাস
শিক্ষক সদস্য



জানমণি কুৰ্মী
সম্পাদিকা



আকাশ গগৈ
সভাপতি



জ্যোতিকা বৰুৱা
সদস্যা



নীলপৱন বুঢ়াগোহাঁই
সদস্য



তৃষ্ণা শইকীয়া
সদস্যা



বিতু গঞ্জু
সদস্য

# সম্পাদকীয়...



*'এটি এটি ক্ষণ যেন মুকুতাৰে ধন*
*এনেয়ে হেৰুৱালে নাহে উভতি'*

ড° ভুপেন হাজৰিকাদেৱে গীতৰ মাধ্যমেৰে সোঁৱৰাই যোৱা এই কথাখিনিৰ গভীৰতা বিশেষভাৱে আমাৰ ছাত্ৰ সমাজে উপলব্ধি কৰাটো খুবেই প্ৰয়োজন। কাৰণ সময় নিৰবধি। নদীৰ অনন্ত সোঁত আৰু সময়ৰ সোঁতৰ মাজত পাৰ্থক্য শূণ্য। আজিৰ দিনটোৰ মূল্যৱান সময়খিনি ভৱিষ্যতৰ কোনো দিনতেই বিচাৰি নাপাম। আজিৰ ছাত্ৰ সমাজেই ভৱিষ্যত সমাজ ব্যৱস্থাৰ পৰিচালক, ভৱিষ্যতৰ দেশ গঢ়োঁতা। গতিকে ছাত্ৰ সমাজে সময়ৰ মূল্য অনুধাৱন কৰি এক সুস্থ সমাজ গঢ় দিবলৈ এতিয়াৰে পৰাই নিজকে সাজু কৰি তুলিব লাগিব আৰু নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব লাগিব। মানুহ হৈছে সামাজিক প্ৰাণী। মানুহে সমাজ পাতি থাকি ভাল পায়। এখন সমাজ হৈছে কোনো এক অঞ্চলৰ আন্তৰিক সম্পৰ্কৰ দ্বাৰা বান্ধ খাই থকা ব্যক্তিসমষ্টি। এখন সমাজ এজন ব্যক্তিৰ জীৱনৰ বাবে অপৰিহাৰ্য। কাৰণ এখন সমাজৰ পৰাই শিশু এটিয়ে আয়ত্ত কৰে মূল্যবোধৰ শিক্ষা। কিন্তু আজিৰ দিনত মানুহে সমাজ পাতি বাস কৰিছে যদিও পৰস্পৰৰ মাজতেই গঢ় লৈ উঠিছে সুউচ্চ প্ৰাচীৰ। যি প্ৰাচীৰৰ বাবে এজনে আনজনৰ সুখ-দুখ, কষ্ট দৃষ্টিগোচৰ কৰিব নোৱাৰে। যাৰ ফলত সমাজখনত চলি আছে হিংসা, লুণ্ঠন, হত্যা, দুৰ্নীতি আৰু এই কাৰকখিনিয়ে এখন সমাজ তথা দেশ এখনক উন্নয়ণৰ পথত বাধাৰ সৃষ্টি কৰিছে।

এখন দেশৰ প্ৰধান শক্তি হিচাপে যুৱ শক্তিক বিবেচনা কৰা হয়। যুৱ সমাজে দেশ গঢ় দিয়াত এক মুখ্য ভূমিকা পালন কৰে। গতিকে যুৱ প্ৰজন্মক সঠিক দিশত পৰিচালিত কৰি মানৱ সম্পদলৈ ৰূপান্তৰ কৰাটো অতি প্ৰয়োজন। কিন্তু আমাৰ সমাজ ব্যৱস্থা এই ক্ষেত্ৰত কিমান দায়িত্বশীল? শৈশৱৰ পৰা দিয়া কিছুমান ভুল ধাৰণা আৰু অস্বাভাৱিক পৰিস্থিতিকে এই ক্ষেত্ৰত দোষাৰোপ কৰিব পাৰি।

শিশুসকলৰ এক সহজাত প্ৰবৃত্তি হৈছে তেওঁলোকে নতুন কথা জানিবলৈ অতি আগ্ৰহী। সেয়ে দেখা যায় কণ কণ শিশুসকলে পিতৃ-মাতৃ, ঘৰৰ আন আন সদস্যসকলক ন ন বিষয়ত সৰু ডাঙৰ বহুতো প্ৰশ্ন কৰে। এই কাৰ্যতে আকৌ সৰহসংখ্যক অভিভাৱকে শিশুৱে কৰা প্ৰশ্নৰ উত্তৰ দি ক্ষুব্ধ হৈ পৰে আৰু কেতিয়াবা ভুল উত্তৰো দিয়ে। তাতে শিশুসকলক এটা ম'বাইল প্ৰদান কৰি নিজৰ দায়িত্ব সামৰিব খোজা অভিভাৱকেও শিশুসকলৰ মানসিক আৰু শাৰীৰিক বিকাশত হেঙাৰ হৈ থিয় দিছে। অনবৰতে প্ৰশ্ন কৰি থকা স্বভাৱৰ বাবেও অভিভাৱকসকলে বিৰক্তি প্ৰকাশ কৰে। ফলস্বৰূপে শিশু এটাৰ এই প্ৰশ্ন কৰাৰ স্বভাৱ নাইকীয়া হৈ পৰে আৰু বাল্যকালৰ পৰা সঠিক পথ অনুকৰণত বিফল হয়, আৰু তেওঁলোক হৈ পৰে সময়ৰ অন্ধ অনুকৰণশীল। এই অৱস্থাই শিশুৰ ভৱিষ্যতত কু-প্ৰভাৱ বিস্তাৰ কৰে।

এখন সমাজ সুন্দৰকৈ পৰিচালিত হ'বলৈ হ'লে প্ৰশ্ন কৰাৰ সংস্কৃতি অব্যাহত ৰাখিব লাগিব। প্ৰশ্ন কৰাৰ সলনি যদি অন্ধ অনুকৰণেৰে আগুৱাই যোৱা হয় তেন্তে ই শিক্ষা লাভৰ প্ৰকৃত অৰ্থ বহন নকৰিব। সমাজ ব্যৱস্থা এখনত যিদৰে প্ৰশ্ন কৰাৰ সংস্কৃতিৰ প্ৰয়োজন ঠিক তেনেদৰে প্ৰয়োজন কৰ্মসংস্কৃতিৰ। কৰ্ম সংস্কৃতিৰ অবিহনে এটা জাতিয়ে কেতিয়াও উন্নতিৰ শিখৰত নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰত্যেক ক্ষেত্ৰতে আমাৰ সমাজৰ এক শ্ৰেণীৰ লোকৰ যিদৰে চৰকাৰী বিনামূলীয়া সা-সুবিধা বিচৰাৰ মানসিকতা আছে সিয়েই আমাৰ কৰ্মহীনতাক প্ৰতিপন্ন কৰে। কিন্তু লাহে লাহে এই কৰ্মহীনতাৰ অৰ্থ যুৱ প্ৰজন্মই সলনি কৰিবলৈ লৈছে। ন ন বিষয় বা ক্ষেত্ৰত কৰ্মৰাজি সৃষ্টিৰে কৰ্মসংস্কৃতিক এক গতি প্ৰদান কৰি এই গতিক দ্ৰুত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। যিয়ে এক শুভ বাৰ্তা বহন কৰিছে।

আমাৰ সমাজ ব্যৱস্থাৰ উন্নতি পথত বাধা প্ৰদানকাৰী অন্য এক কাৰক হৈছে 'Brain Drain'। ইয়াৰ ফলাফল এখন ৰাষ্ট্ৰৰ বাবে অতি ক্ষতিকাৰক। কিয়নো এখন ৰাষ্ট্ৰৰ উন্নতিৰ শিখৰ আৰোহনত মুখ্য ভূমিকা গ্ৰহণ কৰে মানৱ সম্পদে। যদি এই মানৱ সম্পদ বহিঃৰাষ্ট্ৰলৈ গমন কৰে তেন্তে ই নিশ্চিত ভাৱে ৰাষ্ট্ৰ এখনত মানৱ সম্পদ হ্ৰাস কৰাৰ লগতে উন্নতিত বাধাৰ সৃষ্টি কৰিব।

আমি সকলোৱে বিগত এক দীঘলীয়া সময়জুৰি সংশয় আৰু অনিশ্চয়তাৰ মাজেৰে অতিবাহিত কৰিবলগা হৈছে। এই সময়ছোৱাত বহুতো প্ৰত্যাহ্বানো আহি পৰিছে। জনজীৱনৰ স্বাভাৱিক ছন্দ যেন ক'ৰবাত বিলীন হৈ পৰিছে। এই সময়ছোৱাত বিদ্যালয়, মহাবিদ্যালয় সকলো বন্ধ হৈ পৰাত শিক্ষাৰ্থীসকলৰ বাবে এই সময়খিনি অতি কঠিন হৈ পৰিছে। নিজৰ সন্তানৰ ভৱিষ্যতক লৈ সম্প্ৰতি অভিভাৱকসকল চিন্তিত হৈ পৰা দেখিবলৈ পোৱা গৈছে। কাৰণ, ডিজিটেল মাধ্যমৰ শিক্ষা প্ৰদানে ছাত্ৰ-ছত্ৰীসকলৰ মানসিক, শাৰিৰীক স্বাস্থ্যত প্ৰভাৱ পেলাইছে। এই মাধ্যমেৰে কৰা শিক্ষাদান কাৰ্য কিমান ফলপ্ৰসু হ'ল বা হৈছে সেইয়াও এক চিন্তনীয় বিষয়। কিন্তু এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো আশা তথা প্ৰচেষ্টাৰ কিৰণ উদ্ভাসিত হোৱা দেখা গৈছে। বহুতে এই মূল্যৱান সময়খিনি  নিজৰ প্ৰতিভা বিকাশত অতিবাহিত কৰিলে। আন বহুতে হয়তো সময়ৰ অভাৱত কৰিব নোৱাৰা নিজৰ ৰুচিসমূহ পূৰণ কৰাৰ সুযোগ পালে। সমাজৰ এক শ্ৰেণীৰ চিন্তাশীল ব্যক্তি আৰু শিক্ষাৰ্থীয়ে এই দুৰ্যোগৰ সময়ছোৱাত শিক্ষাৰ পৰিৱেশ বৰ্তাই ৰখাৰ উদ্দেশ্যেৰে অহৰহ প্ৰচেষ্টা চলাইছিল। ডিজিটেল মাধ্যমত বহুতো প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস অটুট ৰাখিবলৈ অনুপ্ৰেৰণামূলক বহুতো বক্তৃতা অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ পৰিৱেশ বৰ্তাই ৰাখিবলৈ 'ই-আলোচনী' প্ৰকাশ পাইছে যিয়ে বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনোভাৱ প্ৰকাশৰ এক সুন্দৰ মঞ্চ প্ৰদান কৰিছে।

বৰ্তমান সময়ত আমাৰ সৰ্বত্ৰ উন্নতিৰ বাবে সকলো দিশ সামৰি নিজৰ কৃষ্টি-সংস্কৃতি আগুৱাই নিব লাগিব। অত্যাধিক ভাৱে পশ্চিমীয়া সংস্কৃতি অনুকৰণ কৰি নিজৰ ভাষা সংস্কৃতি ম্লান কৰিলে নহ'ব। যি এক চহকী সংস্কৃতিৰ পৰিচয় আমি দাঙি আহিছো তাৰ স্বকীয়তা অটুট ৰাখিব লাগিব। এই সকলোখিনি ৰূপায়ন কৰিবলৈ হ'লে, নিজৰ সীমিত সাফল্যৰ মানসিকতা ত্যাগ কৰিব লাগিব। বহুল পৃথিৱীখনত মুক্ত মনেৰে সপোন বাস্তৱায়িত কৰিব লাগিব। এইখিনিতে প্ৰখ্যাত দাৰ্শনিক হেনৰি ডেভিড থৰোৰ এষাৰ কথা মনত পৰিছে। তেওঁ কৈছিল "মানুহ জন্ম হয় সফল হ'বলৈ ব্যৰ্থ হ'বলৈ নহয়। আত্মবিশ্বাসেই মানুহৰ জীৱনৰ সাফল্যৰ প্ৰথমটো সোপান"। সেয়েহে এনেদৰে আত্মবিশ্বাসেৰেই আগবাঢ়ি আহি পৰিৱৰ্তিত জীৱনত সাফল্যৰ স্বচ্ছ পথ প্ৰশস্ত কৰিব লাগিব।

ব্যক্তিগত কথাৰে 'নন্দনিয়ান' ঃ- ঐতিহ্যমণ্ডিত নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'নন্দনিয়ানে' হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। নিঃসন্দেহে মহাবিদ্যালয় এখনৰ আলোচনীখনেই হৈছে মহাবিদ্যালয়ৰ দাপোণস্বৰূপ। য'ত প্ৰাণ পাই উঠে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল কৰ্মৰাজি। মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰা পাছত বহুতো পৰিকল্পনা কৰিছিলো যদিও সমগ্ৰ বিশ্বতে সৃষ্টি হোৱা মহামাৰীৰ পৰিস্থিতিৰ বাবে এইখিনি ৰূপায়ণ সম্ভৱ হৈ নুঠিল। দুবাৰকৈ হোৱা তলাবন্ধ আৰু তাৰ পাছত আৰম্ভ হোৱা ষাণ্মাসিক পৰীক্ষাৰ বাবে আলোচনীখন প্ৰকাশত কিছু পলম হ'ল। সময়ত ছাত্ৰ-ছাত্ৰীৰ লিখনি নোপোৱা ই এক অন্যতম কাৰণ। আশাকৰোঁ ভৱিষ্যতৰ নন্দনিয়ানে সময় অনুসৰি লিখনি সমূহ জমা দি সম্পাদকক এই ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব। মহাবিদ্যালয়ৰ আলোচনী এখনৰ দায়িত্ব কেৱল বিভাগীয় সম্পাদকৰ ওপৰত নিদি নিজ নিজ পৰ্যায়ত সকলোৱে সহায়ৰ হাত আগবঢ়োৱা উচিত।

মহাবিদ্যালয়ৰ মুখপত্ৰ এখন সম্পাদনাৰ বাবে যিমানখিনি সাহিত্য বিষয়ক জ্ঞানৰ প্ৰয়োজন সেই জ্ঞানেৰে মই পৰিপুষ্ট নহয়। তথাপিও যিমানদূৰ সম্ভৱ সেই সীমিত জ্ঞানৰ পৰিসৰেৰে কামখিনি সম্পাদনা কৰাত পূৰ্ণ চেষ্টা কৰিলো। অনিশ্চাকৃত ভাৱে ইয়াত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৱে ওচৰত মই ক্ষমাপ্ৰাৰ্থী। সৰ্বশেষত নন্দনিয়ানৰ দীৰ্ঘায়ু কামনা কৰিলো।

জয়তু নন্দনিয়ান।

জয়তু নন্দনাথ শইকীয়া মহাবিদ্যালয়।

জ্ঞানমণি কুৰ্মী


সম্পাদিকা, নন্দনিয়ান

# মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভা( ২০১৯-২০২০ বৰ্ষ)


আকাশ গগৈ
সভাপতি


শেখৰ বৰা
উপ সভাপতি


অনুৰাগ শইকীয়া
সাধাৰণ সম্পাদক


কৌশিক শইকীয়া
সহকাৰী স্যাধাৰণ সম্পাদক


জানমণি কুৰ্মী
আলোচনী সম্পাদিকা


কৃষ্ণা দত্ত
গুৰু ক্ৰীড়া বিভাগৰ সম্পাদিকা


ত্ৰৈলোক্য শইকীয়া
ফুটবল আৰু ভলীবল সম্পাদক


শুভব্ৰত হাজৰিকা
ক্ৰিকেট সম্পাদক


বিকাশ দাস
বেডমিন্টন সম্পাদক


প্ৰিয়া বৰুৱা
সঙ্গীত বিভাগৰ সম্পাদিকা


ছাঁয়াশ্ৰী ভৰালী
তৰ্ক বিভাগৰ সম্পাদিকা


অংকুৰজ্যোতি গগৈ
উৎসৱ বিভাগৰ সম্পাদক


কিৰণ সোণোৱাল
সমাজসেৱা বিভাগৰ সম্পাদক


মানৱজ্যোতি বড়া
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক


সুস্মিতা বড়া
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

# মহাবিদ্যালয়ৰ
# শিক্ষক-শিক্ষয়িত্ৰীসকলৰ
# একাংশ


বুৰঞ্জী বিভাগ


অসমীয়া বিভাগ


ইংৰাজী বিভাগ


উদ্ভিদ বিজ্ঞান বিভাগ


ভূগোল বিভাগ



ৰসায়ন বিজ্ঞান বিভাগ


শিক্ষা বিভাগ

# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ একাংশ




গণিত বিভাগ



অৰ্থনীতি বিভাগ



পদাৰ্থ বিজ্ঞান বিভাগ




ৰাজনীতি বিজ্ঞান বিভাগ



প্ৰাণীবিজ্ঞান বিভাগ



পুথিভঁৰাল কৰ্মচাৰীবৃন্দৰ একাংশ



কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ একাংশ

# আমাৰ গৌৰৱ



মণ্টি কছাৰী



প্ৰসিদ্ধ গগৈ

আন্তঃ মহাবিদ্যালয় উশ্বু প্ৰতিযোগিতাত ৰূপৰ পদক বিজেতা



ৰাজকমল বৰা

বাঁহীবাদনত তৃতীয় স্থান (যুৱ মহোৎসৱ)



আকাশ গগৈ
বেডমিণ্টন চেম্পিয়ন



সমীক্ষা হাজৰিকা
শ্ৰেষ্ঠ সাহিত্যিক



গায়ত্ৰী চবৰ
শ্ৰেষ্ঠ এথেলিট




মালা বৰঠাকুৰ
শ্ৰেষ্ঠ গায়িকা



বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ
বঁটা বিতৰণী অনুষ্ঠানত
বঁটা প্ৰদান কৰিছে
উপাধ্যক্ষ
শ্ৰীযুত বুধিন দত্তদেৱে

# নন্দনিয়ান

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ
ঊনচত্বাৰিংশ সংখ্যা
২০১৯-২০ বৰ্ষ




প্ৰতি,

........................................................................................................লৈ


শুভেচ্ছাৰে 'নন্দনিয়ান'খনি আগবঢ়ালোঁ।

*সম্পাদিকা ঃ জানমণি কুৰ্মী*

# Nandanian

*39th Issue of the annual journal of Nanda Nath Saikia College, Titabar.*
*Published by Students' Union 2019-2020 and*
*edited by the Editorial Board.*


# নন্দনিয়ান





*সম্পাদনা সমিতি*

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | ড° লিটুল বৰুৱা, অধ্যক্ষ |
| সভাপতি | ঃ | শ্ৰীআকাশ গগৈ |
| তত্বাৱধায়ক | ঃ | ড° গীতাঞ্জলী গগৈ |
| | | ড° গৌতম বৰা |
| সম্পাদিকা | ঃ | শ্ৰীমতী জানমণি কুৰ্মী |
| শিক্ষক সদস্য | ঃ | ড° বৰ্ণালী শইকীয়া |
| | | শ্ৰী ৰাজীৱ দাস |
| সদস্য-সদস্যা | ঃ | শ্ৰীনীলপৱন বুঢ়াগোহাঁই |
| | | শ্ৰীমতী জ্যোতিকা বৰুৱা |
| | | শ্ৰীমতী তৃষ্ণা শইকীয়া |
| | | শ্ৰীবিতু গঞ্জু |
| বেটুপাতৰ শিল্পী | ঃ | শ্ৰীমতী সুদীপ্তা শইকীয়া |
| প্ৰকাশক | ঃ | নন্দনাথ শইকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা |
| | | ২০১৯-২০২০ বৰ্ষ |
| অলংকৰণ, মুদ্ৰণ | ঃ | প্ৰিন্ট্ প্লাজা, তিতাবৰ। |
| | | *email:plazaprint@gmail.com* |



বি.দ্ৰ.ঃ- 'নন্দনিয়ান'ত প্ৰকাশিত লেখাসমূহ লেখকসকলৰ দ্বাৰা সংগৃহীত। তথ্য স্বত্ব বা তথ্য বিতৰ্কৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।
'নন্দনিয়ান'ৰ গ্ৰন্থস্বত্ব মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা সংৰক্ষিত।

# উৎসৰ্গা

বিগত দুটা বৰ্ষত সমগ্ৰ বিশ্বত দেখা দিয়া অতিমাৰীৰ ত্ৰাসৰ পৰা
জনজীৱনক ৰক্ষা কৰাৰ স্বাৰ্থত যিসকল মহান চিকিৎসক
তথা চিকিৎসাকৰ্মীয়ে নিজৰ সৰ্বস্ব ত্যাগ কৰি
সেৱা আগবঢ়ালে তথা আগবঢ়াই আছে
সেইসকল মহান জীৱন দাতাৰ কৰকমলত
'নন্দনিয়ান'ৰ এই সংখ্যাটি
উৎসৰ্গা কৰা হ'ল।



সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি জ্ঞাপন

যিসকল শিক্ষানুৰাগী ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টা আৰু
কায়িক শ্ৰমৰ বিনিময়ত নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ
প্ৰাণ প্ৰতিষ্ঠা হৈছিল, সেইসকল মহা মনীষীক
আমি সশ্ৰদ্ধ স্মৰণ কৰিছোঁ।
লগতে বিগত বৰ্ষত কৰ'ণা অতিমাৰীত
সকলোৰে অশ্ৰু নিগৰাই এই পৃথিৱীৰ পৰা চিৰবিদায় লোৱা
বিশ্বৰ প্ৰতিজনলৈ ...
'নন্দনিয়ান'ৰ পৰিয়ালৰ তৰফৰ পৰা
জনালোঁ সশ্ৰদ্ধ অশ্ৰু অঞ্জলি।

সম্পাদনা সমিতি

# NANDA NATH SAIKIA COLLEGE

**Estd.1959**

P.O. TITABAR: DIST. JORHAT: PIN 785630: ASSAM

*[Provincialised & Affiliated to Dibrugarh University]*

NAAC Re-accredited with Grade "B" at CGPA 2.65

*Dr. Litool Baruah*
Principal & Secretary
e mail : litoolbaruah@gmail.com
Mobile No: 9435490134

Phone No. 03771- 248446(O)
Fax No. 03771- 249301(O)
e mail:nnscollege@gmail.com
Website: nnsaikiacollege.org


*Memo. No : NNSC /.............................*



## শুভেচ্ছা বাণী

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'নন্দনিয়ান'ৰ ঊনচত্বাৰিংশ (৩৯ সংখ্যক) সংস্কৰণটি প্ৰকাশৰ পথত বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। 'নন্দনিয়ান' তিতাবৰ অঞ্চলৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ শিক্ষা আৰু সাহিত্যৰ প্ৰকৃত প্ৰতিফলক। ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ আৰু বিকাশত 'নন্দনিয়ান'এ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰি আহিছে। আশা কৰিছো এইবৰ্ষৰ 'নন্দনিয়ান' খনেও ভাষা-সাহিত্য-সংস্কৃতি আৰু শিক্ষাৰ নতুন বাৰ্তা বহন কৰি মহাবিদ্যালয়খনক সমুজ্জ্বল কৰি তুলিব, আলোচনীখনৰ প্ৰকাশৰ সৈতে জড়িত হৈ থকা সকলো কৰ্মকৰ্তালৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

লিটুল বৰুৱা

(ড° লিটুল বৰুৱা)
অধ্যক্ষ
নন্দনাথ শইকীয়া মহাবিদ্যালয়

# কৃতজ্ঞতা জ্ঞাপন

✦ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'নন্দনিয়ান' প্ৰকাশৰ বাবে অনুমতি প্ৰদান কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লিটুল বৰুৱা ছাৰৰ লগতে বিভিন্ন দিশত দিহা-পৰামৰ্শৰে আলোচনীৰ কামত সহায়-সহযোগিতা আগবঢ়োৱা উপাধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰীযুত বুধিন দত্ত ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

✦ মোৰ কাৰ্যকালৰ আৰম্ভণি সময়ৰে পৰা প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শৰে সহায় কৰা আলোচনী বিভাগৰ তত্বাবধায়ক ড° গীতাঞ্জলী গগৈ বাইদেউ আৰু ড° গৌতম বৰা ছাৰক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

✦ শুভেচ্ছা বাণী প্ৰদানেৰে আমাক অনুপ্ৰাণিত কৰা ৰাজ্যসভাৰ সাংসদ শ্ৰীযুত কামাখ্য প্ৰসাদ তাছা ডাঙৰীয়া আৰু যোৰহাট জিলাৰ প্ৰাক্তন উপায়ুক্ত মহোদয়া শ্ৰীযুতা ৰশ্মি অপৰাঞ্জি কৰাটি বাইদেউলৈ ধন্যবাদ থাকিল।

✦ যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা তথা বিশিষ্ট লেখিকা শ্ৰীযুতা অদিতি বেজবৰুৱা বাইদেউলৈ আন্তৰিক ধন্যবাদ।

✦ কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ধ্ৰুৱজ্যোতি দাসদেৱে এটা প্ৰবন্ধ প্ৰেৰণেৰে 'নন্দনিয়ান'ক সমৃদ্ধ কৰাৰ বাবে ছাৰলৈ ধন্যবাদ থাকিল।

✦ নন্দনিয়ানলৈ লেখা প্ৰদান কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকললৈ কৃতজ্ঞতা জনালোঁ।

✦ আলোচনীখনৰ সম্পাদনা কাৰ্যত থিয় দি সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ লগতে মোৰ বন্ধু নীলপৱন, বিতু, বিদ্যুৎ, আকাশৰঞ্জন, গৌৰৱ, তৃষ্ণা, সৃষ্টিদেৱী, জ্যোতিকা, ভণ্টি সুদৰ্শনা, প্ৰাক্তন ছাত্ৰ বাস্তৱ দা, শুভ্ৰজিৎ দা, বিতোপন দা, বিতু দা, ৰাজকমল দা, সুদীপ্তা বা আৰু মমী বালৈ আন্তৰিক কৃতজ্ঞতা থাকিল।

✦ বিভিন্ন কামত সহায় কৰা প্ৰত্যেকজনলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

✦ আলোচনীখন ছপা কৰি আমাৰ হাতত তুলি দিয়া তিতাবৰৰ প্ৰিন্ট্ প্লাজাৰ স্বত্বাধিকাৰী শ্ৰীযুত নীলোৎপল শইকীয়া প্ৰমুখ্যে কৰ্মচাৰীবৃন্দলৈ আন্তৰিক কৃ তজ্ঞতা থাকিল।

*সম্পাদিকা*

কামাখ্যা প্ৰসাদ তাচা
**Kamakhya Prasad Tasa**
MEMBER OF PARLIAMENT
(Rajya Sabha)

Flat No. 157, South Avenue
New Delhi- 110011
Tel: 011-23794815
011-23794816
Mobile : 94350-53199



তাৰিখ ঃ

# শুভ বাৰ্তা

যোৰহাট জিলাৰ তিতাবৰৰ অন্যতম উচ্চ শিক্ষাৰ পীঠস্থান নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ আলোচনী 'নন্দনিয়ান' প্ৰকাশ পাব বুলি জানি মই অতি আনন্দিত হৈছোঁ।

সমগ্ৰ বিশ্বক ক'ৰণা মহামাৰীয়ে বিধস্ত কৰি যোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতিও অশনি সংকেত কঢ়িয়াই আনিলে। প্ৰায় এটা বছৰ ধৰি স্থবিৰ হৈ পৰিল আমাৰ শিক্ষা ব্যৱস্থা। সি যি কি নহওক, তেনে জটিল সময়ৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে বিভাগীয় কৰ্তৃপক্ষই যাৱতীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে।

এখন মহাবিদ্যালয়ৰ শৈক্ষিক আৰু বৌদ্ধিক দিশৰ পৰিচয় বহন কৰে মহাবিদ্যালয়খনৰ আলোচনীখনে। নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ সংঘই প্ৰকাশ কৰি অহা **'নন্দনিয়ান'**ৰ আছে এই ক্ষেত্ৰত সুকীয়া পৰিচয়। এৰি থৈ অহা দিনবোৰত **'নন্দনিয়ান'**ৰ বুকুতে জন্ম হৈছে অসমীয়া সাহিত্যৰ বহুকেইজন পুৰোধা সাহিত্যিকৰ।

আশা কৰিছোঁ, প্ৰকাশিতব্য 'নন্দনিয়ান'ৰ ৩৯ সংখ্যক সংখ্যাটিয়ে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি নৱ প্ৰজন্মৰ শিক্ষাৰ্থীসকলক উৎসাহিত কৰিব। এই আপাহতে 'নন্দনিয়ান'ৰ সৈতে জড়িত প্ৰতিগৰাকী শিক্ষাগুৰু আৰু শিক্ষাৰ্থীৰ প্ৰতি মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

ধন্যবাদেৰে—

(কামাখ্যা প্ৰসাদ তাচা)

*Roshni Aparanji Korati*, IAS
DEPUTY COMMISSIONER
JORHAT DISTRICT (ASSAM)

सत्यमेव जयते

OFFICE OF THE DEPUTY COMMISSIONER
Jorhat District, Assam (India)
Tel.. : 0376-2320020(O), 2320073 (R)
Fax : 2320073(O), 2309521 (R)
Mobile : 9401083865
E-mail : dc-jorhat@nic.in

# শুভেচ্ছাবাণী

যোৰহাট জিলাৰ তিতাবৰত অৱস্থিত নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "নন্দনিয়ান" ২০১৯-২০ বৰ্ষৰ ৩৯ সংখ্যক সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ ।

"মুখপত্ৰ" একোখন বিদ্যালয়ৰ দাপোণ স্বৰূপ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভাষা-সাহিত্য আৰু বৌদ্ধিক বিকাশৰ বাবে সাহিত্য চৰ্চা অতিকে প্ৰয়োজন । মুখপত্ৰই ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ প্ৰতি ধাউতি বঢ়োৱাৰ লগতে প্ৰতিভাৰ বিকাশ সাধন কৰে । নন্দনাথ শইকীয়া মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ সকলো দিশৰ বিকাশ সাধন কৰাৰ লগতে তেওঁলোকক দেশৰ সু-নাগৰিক হিচাপে গঢ়ি তোলাৰ বাবে শিক্ষা প্ৰদান কৰি আহিছে । আশাকৰোঁ, সকলোৰে সহযোগত মহাবিদ্যালয়খনিৰ এই গৌৰৱোজ্জ্বল যাত্ৰা ভৱিষ্যতেও অব্যাহত থাকিব। প্ৰতি বছৰে এখন শৈক্ষিক মুখপত্ৰ প্ৰকাশ কৰিবলৈ লোৱাটো এক উল্লেখনীয় পদক্ষেপ। এনেধৰণৰ মুখপত্ৰই মহাবিদ্যালয় তথা অঞ্চলটোৰ এক প্ৰকৃত প্ৰতিচ্ছবি ডাঙি ধৰে আৰু সাহিত্য চৰ্চাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ বিকাশ সাধনতো যথেষ্ট অৰিহণা যোগায় ।

মই নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ সংঘৰ প্ৰতিজন বিষয়ববীয়াকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি এই উপলক্ষে প্ৰকাশ পাবলগীয়া ২০১৯-২০ বৰ্ষৰ মুখপত্ৰ "নন্দনিয়ান"খনিয়ে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰিলো ।

দিনাংক : যোৰহাট, ২২ এপ্ৰিল,২০২১

ৰশ্মি অপৰঞ্জি কৰটী, ভাঃ প্ৰঃ সেঃ
উপায়ুক্ত,
যোৰহাট জিলা